1. Name of the Programme : Golpo-Katha

2. Date : 01/03/2024

3. In connection with observation of ………………. Day (If any) :

4. Organized by : Organized by the Language-Literary club and Department of Assamese, Bholanath College, Dhubri.

5. Name of Resource person/judges :
    1. Atanu Bhattacharya, Poet, Short-story writer, journalist.
    2. Mitali Dey, Noted singer, Guwahati

6. Number of participants/students : 200

7. Name, Class, Roll no of the winners : NA

8. A brief write up of the programmme (with web snaps/phots):

On the occasion of the birth centenary of renowned litterateur Shilbhadra, a programme called 'Golpo-Katha' was organized by the Language-Literary club and Department of Assamese, Bholanath College, Dhubri. This Programme was inaugurated by Dr. Dhruba Chakraborty, Principal, B.N. College, Dhubri. The Programme was hosted by Dr. Upendrajit Sarma, Principal Secretary, Asam Sahitya Sabha and Associate Professor, Department of Assamese, B.N. College, Dhubri. Poet, Short-story writer, journalist Atanu Bhattacharya presented various storytelling styles on the occasion and noted singer Mitali Dey collaborated with music. The programme concluded with the performance of the Assam state anthem.












ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ ভাষা-সাহিত্য চ'ৰা অসমীয়া বিভাগৰ উদ্যোগ

# শীলভদ্ৰৰ জন্ম শতবৰ্ষ উপলক্ষে অতনু ভট্টাচাৰ্য আৰু মিতালী দে'ৰ গল্প আৰু সংগীতৰ যুগলবন্দী গল্পকথা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১ মাৰ্চ :** ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ ভাষা-সাহিত্য চ'ৰা অসমীয়া বিভাগৰ উদ্যোগত বিশিষ্ট সাহিত্যিক শীলভদ্ৰৰ জন্ম-শতবৰ্ষ উপলক্ষে গল্পকথা নামৰ এটি অভিনৱ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কবি, গল্পকাৰ, সাংবাদিক অতনু ভট্টাচাৰ্যৰ সৃষ্ট এই গল্পকথা অনুষ্ঠানটো ১ মাৰ্চ ২০২৪ খ্ৰীষ্টাব্দ তাৰিখ শুকুৰবাৰে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিশিষ্ট সাহিত্যিক শীলভদ্ৰলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে। প্ৰতিভাৱান কবি, শিক্ষক দিবাকৰ ৰেণুলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সমাজ সেৱক শিমুল সৰকাৰে। অনুষ্ঠানৰ আৰম্ভণিতে সাহিত্যিক শীলভদ্ৰলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শীলভদ্ৰৰ বৰণীয় জীৱনৰ সম্যক আভাস দাঙি ধৰে ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই।




অনুষ্ঠানটোত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে। গল্পকথা অনুষ্ঠানটোত শীলভদ্ৰৰ গল্প 'নীলা', সুনীল গঙ্গোপাধ্যায়ৰ গল্প 'সাঁকো', ১৮৯২ চনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা প্ৰথমটো অসমীয়া চুটিগল্প 'সেউতী' নামৰ গল্পৰ কথনেৰে বাল্যবিবাহৰ অশুভ পৰম্পৰাৰ চিত্ৰ অংকন কৰে আৰু কানি বৰবিহৰ সজাগতাৰ বাবে ধোঁৱাখোৱা শেষত বাংলাদেশৰ সাহিত্যিক হুমায়ুন আহমেদৰ গল্প 'এটা ভয়ংকৰ অভিযানৰ কাহিনী' গল্প পৰিৱেশন কৰে। বিভিন্ন গল্প কথনশৈলীৰে আগবঢ়াই অতনু ভট্টাচাৰ্যই আৰু সংগীতৰ লহৰেৰে সহযোগিতা আগবঢ়ায় বিশিষ্ট কণ্ঠশিল্পী মিতালী দে'ই। মহাবিদ্যালয়ৰ তৰফৰ পৰা অতনু ভট্টাচাৰ্য আৰু মিতালী দে'ক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানত অধ্যাপক ড° দ্বিজেন্দ্ৰ নাথ ভকত, ড° দ্বিপেন্দ্ৰ নাথ অধিকাৰী, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক আজাদ আলী আহমেদ, বিশিষ্ট সাংবাদিক প্ৰণবাশিস ৰায়, আশৰাফুল আলম, অহিদ খান, দীপাংকৰ বৰাল, ডাঃ জে বিৰায়, মেহবুব আহমেদ, ড° গৌৰ কৃষ্ণ সাহা সমন্বিতে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰীতা ৰৱা, অধ্যাপক -অধ্যাপিকাবৃন্দ আৰু সহস্ৰাধিক ছাত্ৰ -ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই মনোমোহা অনুষ্ঠানটো জাতীয় সংগীত পৰিৱেশনেৰে সামৰণি পৰে।

## নাজিৰাত ড্ৰাগ্‌ছসহ আটক ১